# যোৰহাট জিলাৰ মিচিং জনজাতীয় সমাজত মহিলাৰ স্বাস্থ্য আৰু চিকিৎসা পদ্ধতি ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন

*মাধুৰীমা শইকীয়া*
অসমীয়া বিভাগ, ডিব্ৰুগড় বিশ্ববিদ্যালয়, ডিব্ৰুগড়, অসম
*Correspondence* : E-mail : madhurimachimisaikia@gmail.com

**সংক্ষিপ্তসাৰ ঃ**

স্বাস্থ্য হৈছে মানৱ সম্পদ বিকাশ সূচাংকৰ আটাইতকৈ গুৰুত্বপূৰ্ণ উপাদান। জনজাতীয় সমাজত স্বাস্থ্য সচেতনতাৰ ক্ষেত্ৰত পৰম্পৰাগত সামাজিক বিশ্বাসে অতীজৰেপৰা এক বিশেষ স্থান অধিকাৰ কৰি আহিছে। মানৱ সম্পদ বিকাশ সূচাংকৰ ক্ষেত্ৰত জনজাতীয় লোকসকল ৰাষ্ট্ৰীয় গড় সূচাংকতকৈ যথেষ্ট পিছ পৰি আছে। জনজাতীয় লোকসকলৰ শিশুৰ মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড় মৃত্যুৰ হাৰতকৈ যথেষ্ট বেছি। জনজাতীয় সমাজত পুৰুষসকলতকৈ মহিলা আৰু শিশুসকলৰ মৃত্যুৰ হাৰ অধিক। ইয়াৰ লগত মহিলাসকলৰ বাল্যবিবাহ, শিক্ষাৰ অনগ্ৰসৰতা, স্বাস্থ্য সম্পৰ্কীয় সচেতনতাৰ অভাৱ আদি বিভিন্ন কাৰণ জড়িত হৈ আছে। মহিলাসকলে বিশেষকৈ সন্তান জন্ম দিয়াৰ সময়ত সাৱধানতা অৱলম্বন নকৰাৰ বাবে বহু মহিলাৰ অকালতে মৃত্যু হোৱাৰ উপৰি বহু মহিলাৰ ক্ষেত্ৰত বিভিন্ন ৰোগে দেখা দিয়ে। স্বাস্থ্যসম্বন্ধীয় দিশ সম্পৰ্কে থকা সজাগতাৰ অভাৱৰ বাবে মহিলাসকলে উপযুক্ত চিকিৎসাৰপৰা বহু ক্ষেত্ৰত বঞ্চিত হোৱা পৰিলক্ষিত হয়। ফলস্বৰূপে মহিলাসকলৰ মাজত বিভিন্ন স্বাস্থ্যজনিত সমস্যাই দেখা দিয়ে। মিচিং জনজাতীয় মহিলাসকলৰ স্বাস্থ্য আৰু চিকিৎসা পদ্ধতিক মূল বিষয় হিচাপে লৈ এই গৱেষণাপত্ৰখন প্ৰস্তুত কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নৰ বাবে যোৰহাট জিলাৰ অন্তৰ্গত দুখন গাঁও শগুনপৰা আৰু বৰমথাউৰি মিচিং গাঁৱক নিৰ্বাচন কৰা হৈছে। গৱেষণা-পত্ৰখনত সাধাৰণ অপৰিকল্পিত নমুনা পদ্ধতিৰে মিচিং মহিলাৰ মাজৰপৰা তথ্য সংগ্ৰহ কৰা হৈছে। এই ক্ষেত্ৰত বিবাহিত মহিলাক অধিক গুৰুত্ব দিয়া হৈছে। এই অধ্যয়নৰ বাবে সমীক্ষাত্মক আৰু বিষয় বিশ্লেষণাত্মক পদ্ধতিৰ সহায় লোৱা হৈছে। গৱেষণাৰ অন্তত পোৱা সিদ্ধান্তসমূহ হ'ল- যোৰহাট জিলাৰ মিচিং অধ্যুষিত গাঁওসমূহত মহিলাসকলে স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সময়তো তেওঁলোকৰ বেছিসংখ্যকেই পৰম্পৰাগত চিকিৎসা পদ্ধতিক অধিক প্ৰাধান্য দিয়ে, যাৰ ফলত ৰোগ

নিৰাময়ৰ প্ৰক্ৰিয়া যথেষ্ট লেহেমীয়া হয় আৰু অৱশেষত ৰোগীৰ মৃত্যুৰ আশংকা বৃদ্ধি পায়। তদুপৰি মহিলাৰ মৃত্যুৰ হাৰ পুৰুষতকৈ বেছি। ইয়াৰ প্ৰধান কাৰণ হৈছে, বেমাৰ আৰম্ভ হোৱাৰ লগে লগে উপযুক্ত চিকিৎসা পদ্ধতিৰ সহায় নলৈ আওপুৰণি পৰম্পৰাগত চিকিৎসাত অধিক গুৰুত্ব আৰোপ কৰে। ফলত বেমাৰীৰ অৱস্থা অধিক শোচনীয় হৈ পৰে আৰু পিছত আধুনিক চিকিৎসা কৰিও সম্পূৰ্ণৰূপে আৰোগ্য হোৱাৰপৰা বঞ্চিত হয়। সেয়েহে মিচিং মহিলাসকলৰ স্বাস্থ্য সচেতনতা বৃদ্ধি কৰিবলৈ চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষ আৰু স্বেচ্ছাসেৱক সংগঠনসমূহে আধুনিক চিকিৎসা ব্যৱস্থাৰ প্ৰতি সজাগতা আনিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**বীজ শব্দ ঃ** মিচিং মহিলা, স্বাস্থ্য, ঔষধ, স্বাস্থ্য-সচেতনতা, স্বাস্থ্য-ব্যৱস্থা।

**অৱতৰণিকা ঃ**

অসম বিভিন্ন জাতি-জনগোষ্ঠীৰ মিলনভূমি। অসমত বাস কৰা জনগোষ্ঠীসমূহৰ ভিতৰত জনসংখ্যাৰ ফালৰপৰা দ্বিতীয় বৃহৎ জনগোষ্ঠীটোৱেই হ'ল মিচিংসকল। প্ৰাক-ঐতিহাসিক কালতেই অসমলৈ প্ৰব্ৰজন হোৱা মিচিংসকল নৃতাত্ত্বিক দিশৰপৰা মংগোলীয় নৃগোষ্ঠীৰ লোক। ২০১১ চনৰ লোকপিয়ল অনুসৰি অসমত বাস কৰা মিচিংসকলৰ জনসংখ্যা হৈছে ৬,৮৩,১৭০। বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ অন্তৰ্গত মিচিংসকলৰ ভাষাটো চীন-তিব্বতীয় ভাষা পৰিয়ালৰ তিব্বত-বৰ্মীয় শাখাৰ উত্তৰ অসম শাখাৰ অন্তৰ্গত। মিচিং শব্দৰ অৰ্থ হৈছে — মি মানে মানুহ আৰু য়াছিং মানে বগা বা ভাল অৰ্থাৎ ভাল মানুহ।[1] স্বাস্থ্য হৈছে মানৱ সম্পদ বিকাশৰ এক প্ৰধান অংগ। বিশ্ব স্বাস্থ্য সংস্থাৰ মতে, "Health is a state of complete physical, social and mental being and not mearly the absence of disease and infirmity." অৰ্থাৎ স্বাস্থ্যই কেৱল ৰোগ আৰু অসুস্থতাৰ অনুপস্থিতিকে নুবুজায়, ই হৈছে এক সম্পূৰ্ণ শাৰীৰিক, সামাজিক আৰু মানসিক অৱস্থাৰ নিৰ্ণায়ক। যিকোনো সম্প্ৰদায়ৰ স্বাস্থ্যৰ অৱস্থা প্ৰত্যক্ষ বা পৰোক্ষভাৱে তেওঁলোকৰ স্বাস্থ্যসেৱা ব্যৱস্থাটোৰ ওপৰত নিৰ্ভৰশীল। স্বাস্থ্যসেৱা ব্যৱস্থাটোৱে বিভিন্ন সংস্থা, প্ৰতিষ্ঠান আদিক সামৰি লয়, যাৰদ্বাৰা স্বাস্থ্যসেৱা সম্পাদন কৰা হয়। এই সংস্থা বা প্ৰতিষ্ঠানসমূহৰ প্ৰাথমিক উদ্দেশ্য হৈছে স্বাস্থ্যসেৱাৰ বিকাশ সাধন কৰা। স্বাস্থ্যসেৱা ব্যৱস্থাই সেইবোৰ প্ৰতিষ্ঠান, মানুহ আৰু সম্পদক বুজায়, যি অহৰহ স্বাস্থ্যসেৱা প্ৰদানৰ লগত জড়িত হৈ থাকে। এই ব্যৱস্থাটোৰ আন এটা গুৰুত্বপূৰ্ণ কাম হৈছে — জনসাধাৰণৰ মাজত স্বাস্থ্যসচেতনতা সম্পৰ্কীয় জ্ঞানৰ প্ৰচাৰ আৰু প্ৰসাৰ ঘটোৱা। বসুৰ মতে — health is a function, it is only medical concept but also it is a concept of overall integrated development of society-cultural, economic, education, social and political.[2] অৰ্থাৎ স্বাস্থ্যই কেৱল চিকিৎসাৰ ধাৰণাটোকে নুবুজায়, ই শিক্ষা, সামাজিক, অৰ্থনৈতিক, ৰাজনৈতিক আদিৰ সামগ্ৰিক বিকাশক সামৰি লয়। তেওঁৰ মতে, সুস্বাস্থ্য আৰু এখন সুস্থ সমাজ সমান্তৰালভাৱে আগবাঢ়ে। সাধাৰণতে গড় আয়ুস, জন্মৰ হাৰ, মৃত্যুৰ হাৰ, শিশুৰ মৃত্যুৰ হাৰ আদিৰ জৰিয়তে এখন সমাজৰ স্বাস্থ্যৰ অৱস্থাৰ বিষয়ে অধ্যয়ন কৰিব পাৰি। ভাৰতৰ জনজাতীয় সমাজত স্বাস্থ্যসচেতনতাৰ ক্ষেত্ৰত পৰম্পৰাগত সামাজিক বিশ্বাসে অতীতৰেপৰা গুৰুত্ব পাই আহিছে। মানৱ সম্পদ বিকাশ সূচাংকৰ ক্ষেত্ৰত জনজাতীয় লোকসকল ৰাষ্ট্ৰীয় গড় সূচাংকতকৈ যথেষ্ট পিছ পৰি আছে। জনজাতীয় লোকসকলৰ মৃত্যুৰ হাৰ বিশেষকৈ শিশুৰ গড় মৃত্যুৰ হাৰ ৰাষ্ট্ৰীয় গড় হাৰতকৈ যথেষ্ট




বেছি। এইক্ষেত্ৰত জনজাতীয় পুৰুষসকলতকৈ মহিলা আৰু শিশুসকল অধিক সংবেদনশীল। ইয়াৰ মুখ্য কাৰণ হৈছে — বাল্যবিবাহ, শিক্ষাৰ অনগ্ৰসৰতা, পুষ্টিহীনতা আদি। মহিলাসকল বিশেষকৈ সন্তান জন্ম দিয়াৰ সময়ত বিভিন্ন সমস্যাৰ সন্মুখীন হয়; যেনে — এনিমিয়া, উচ্চ ৰক্তচাপজনিত ৰোগ, পুষ্টিহীনতা আদি। এই সমস্যাসমূহৰ মুখ্য কাৰণ হ'ল — স্বাস্থ্যসেৱাৰ অনগ্ৰসৰতা, অনুন্নত যোগাযোগ ব্যৱস্থা, স্বাস্থ্যখণ্ডৰ নিম্নমানৰ আন্তঃগাঁথনি, দক্ষ স্বাস্থ্যকৰ্মীৰ অভাৱ আদি। যোৰহাট জিলাৰ মিচিং অধ্যুষিত অঞ্চলসমূহত উল্লিখিত সমস্যাসমূহ বিদ্যমান। সেয়েহে মিচিং মহিলাসকলৰ স্বাস্থ্যসচেতনতা আৰু অৱস্থাৰ বিষয়ে অধ্যয়নৰ গুৰুত্ব উপলব্ধি কৰি বিষয়টো অধ্যয়নৰ বাবে নিৰ্বাচন কৰা হৈছে।

**অধ্যয়নৰ উদ্দেশ্য ঃ**

**যোৰহাট জিলাৰ মিচিং জনজাতীয় সমাজত মহিলাৰ স্বাস্থ্য আৰু চিকিৎসা পদ্ধতি ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন** শীৰ্ষক বিষয় অধ্যয়নৰ উদ্দেশ্যসমূহ হৈছে —

- জনজাতীয় মিচিং মহিলাসকলৰ স্বাস্থ্যৰ সচেতনতা আৰু অৱস্থাৰ বিষয়ে অধ্যয়ন কৰা।
- মিচিং বসতিপ্ৰধান অঞ্চলসমূহত সহজলভ্য স্বাস্থ্যসেৱাৰ বিষয়ে অধ্যয়ন কৰা।
- মিচিং লোকসকলে চিকিৎসাৰ বাবে ব্যৱহাৰ কৰা থলুৱা পৰম্পৰাগত ঔষধসমূহৰ বিষয়ে অৱগত কৰা।

**অধ্যয়নৰ পদ্ধতি ঃ**

**যোৰহাট জিলাৰ মিচিং জনজাতীয় সমাজত মহিলাৰ স্বাস্থ্য আৰু চিকিৎসা পদ্ধতি ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন** শীৰ্ষক বিষয় অধ্যয়নৰ বাবে দুইধৰণৰ পদ্ধতি গ্ৰহণ কৰা হৈছে —

- সমল সংগ্ৰহৰ পদ্ধতি
- বিষয় বিশ্লেষণৰ পদ্ধতি

গৱেষণাৰ মুখ্য সমলসমূহ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। ক্ষেত্ৰ অধ্যয়নত সাক্ষাৎকাৰ পদ্ধতি আৰু পৰ্যবেক্ষণ পদ্ধতিৰ সহায় লোৱা হৈছে। প্ৰধানকৈ অনিৰ্দিষ্ট প্ৰশ্নমালাৰ ভিত্তিত মৌখিক সাক্ষাৎকাৰৰ জৰিয়তে মুখ্য সমলসমূহ সংগ্ৰহ কৰা হৈছে।

ক্ষেত্ৰ অধ্যয়নৰ বাবে যোৰহাট জিলাৰ দুখন মিচিং অধ্যুষিত গাঁও শগুনপৰা আৰু বৰমথাউৰি মিচিং গাঁৱক নিৰ্বাচন কৰা হৈছে। গৱেষণা অধ্যুষিত অঞ্চলৰ ২০০ গৰাকী ১৫-৪০ বছৰৰ মিচিং মহিলাক নিৰ্বাচন কৰি লোৱা হৈছে। বিবাহিত মহিলাক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। নমুনা সংগ্ৰহৰ বাবে সাধাৰণ অপৰিকল্পিত নমুনা পদ্ধতিৰ সহায় লোৱা হৈছে।

**তথ্যৰ উৎস ঃ**

**যোৰহাট জিলাৰ মিচিং জনজাতীয় সমাজত মহিলাৰ স্বাস্থ্য আৰু চিকিৎসা পদ্ধতি ঃ এক ক্ষেত্ৰভিত্তিক অধ্যয়ন** শীৰ্ষক বিষয় অধ্যয়নৰ বাবে দুটা উৎসৰপৰা সমলসমূহ সংগ্ৰহ কৰা হৈছে। গৱেষণাৰ মুখ্য সমলসমূহ ক্ষেত্ৰ অধ্যয়নৰ জৰিয়তে সংগ্ৰহ কৰা হৈছে। গৌণ তথ্যৰ বাবে বিভিন্ন গ্ৰন্থ, আলোচনী, বাতৰি কাকত আৰু ইণ্টাৰনেটৰ সহায় লোৱা হৈছে।

**মূল আলোচনা ঃ**

মিচিং সমাজত কোনো এজন ব্যক্তি শাৰীৰিক, মানসিক আৰু আধ্যাত্মিক দিশত সুস্থ থকা মানেই তেওঁ এজন সু-স্বাস্থ্যৱান ব্যক্তি। ইয়াৰ উপৰি মিচিং সমাজত বিভিন্ন পূজা-পাতলৰ বাহিৰেও এনে কিছুমান বিশ্বাস প্ৰচলিত হৈ আছে যিবোৰ চিকিৎসা বিজ্ঞানে অন্ধবিশ্বাস বুলি গণ্য কৰে। আমাৰ এই গৱেষণা-পত্ৰখনত তিনিটা বিশেষ দিশত গুৰুত্ব প্ৰদান কৰি মিচিং মহিলাসকলৰ স্বাস্থ্যৰ অৱস্থা আৰু সচেতনতা অধ্যয়ন কৰিবলৈ প্ৰয়াস কৰা হৈছে। সেইকেইটা হৈছে — বিবাহৰ বয়স, বেমাৰৰ বাবে গ্ৰহণ কৰা চিকিৎসা ব্যৱস্থা আৰু সন্তান জন্ম দিয়াৰ স্থান।

**বিবাহৰ বয়স ঃ**

বয়স বুলিলে কেৱল এগৰাকী মহিলাৰ শাৰীৰিক আৰু মানসিক পৈণত অৱস্থাকেই নুবুজায়, ই এখন সমাজৰ বাবেও গুৰুত্বপূৰ্ণ। ভাৰতীয় সংবিধানত মহিলাৰ বিবাহৰ ন্যূনতম বয়সৰ সীমা ১৮ বছৰ নিৰ্ধাৰণ কৰা আছে। নিম্নলিখিত তালিকাখনত নমুনাৰ বাবে নিৰ্বাচন কৰা ২০০ গৰাকী মিচিং মহিলাৰ বিবাহৰ বয়স দেখুওৱা হৈছে—

তালিকা ১ঃ বিবাহৰ বয়স

| **বয়স** | **বিবাহিত মহিলা** | |
|---|---|---|
| | **সংখ্যা** | **শতাংশ** |
| ১৫-২০ | ১২০ | ৬০ |
| ২১-২৫ | ৬০ | ৩০ |
| ২৬-৩০ | ১০ | ৫ |
| ৩১-৩৫ | ৭ | ৩.৫ |
| ৩৬-৪০ | ৩ | ১.৫ |

উৎস ঃ ক্ষেত্ৰভিত্তিক অধ্যয়ন

তালিকা ১ত দেখা গৈছে যে, ১২০ (৬০%) গৰাকী মহিলা বিয়া হৈছে ১৫-২০ বছৰ বয়সত; ২১-২৫ বছৰ বয়সৰ ভিতৰত ৬০ (৩০%) গৰাকী মহিলা; ২৬-৩০ বছৰ বয়সত ১০ (৫%) গৰাকী মহিলা ৩১-৩৫ আৰু ৩৬-৪০ বছৰৰ বয়সত বিবাহিত মহিলাৰ সংখ্যা ক্ৰমে ৭ (৩.৫%) আৰু ৩ (১.৫%) গৰাকী মহিলা।





**সন্তান জন্ম দিয়া স্থান ঃ**

তালিকাঃ ২ **সন্তান জন্ম দিয়া স্থান**

| স্থান | বিবাহিত মহিলা | |
|---|---|---|
| | সংখ্যা | শতাংশ |
| ঘৰ | ৪০ | ২০ |
| চৰকাৰী চিকিৎসালয় | ১৪০ | ৭০ |
| ব্যক্তিগত চিকিৎসালয় | ২০ | ১০ |

উৎস ঃ ক্ষেত্ৰভিত্তিক অধ্যয়ন

তালিকা -২ মিচিং মহিলাসকলৰ ৭০% মহিলাই চৰকাৰী চিকিৎসালয়ত সন্তান জন্ম দিয়ে; ২০% মহিলাই ঘৰতে আৰু বাকী ১০% মহিলাই ব্যক্তিগত চিকিৎসালয়ত সন্তান জন্ম দিয়ে।

**ৰোগ নিৰাময়ৰ বাবে ৰোগীয়ে লোৱা ব্যৱস্থাসমূহ ঃ**

সমাজৰ সকলোতে স্বাস্থ্যৰ লগত প্ৰকৃতি আৰু কিছুমান ধৰ্মীয় বিশ্বাস জড়িত হৈ থাকে। অতীজৰেপৰা জনজাতীয় লোকসকলৰ প্ৰকৃতিৰ লগত এক মধুৰ সম্পৰ্ক চলি আহিছে। মিচিং লোকসকলে ৰোগ নিৰাময়ৰ ক্ষেত্ৰত পৰম্পৰাগত বা আয়ুৰ্বেদিক আৰু আধুনিক চিকিৎসা বিজ্ঞানৰ সহায় লয়।

তালিকাহ্ল৩ ঃ বেমাৰৰ সময়ত গ্ৰহণ কৰা ঔষধ

| **ঔষধ** | **বিবাহিত মহিলা** | |
|---|---|---|
| | **সংখ্যা** | **শতাংশ** |
| পৰম্পৰাগত ঔষধ | ১১০ | ৫৫ |
| আয়ুৰ্বেদিক ঔষধ | ১০ | ৫ |
| এল’পেথিক ঔষধ | ৩০ | ১৫ |
| হোমিওপেথিক ঔষধ | ৫০ | ২৫ |

উৎস ঃ ক্ষেত্ৰভিত্তিক অধ্যয়ন

তালিকা-৩ মিচিং মহিলাসকলৰ ৫৫% মহিলাই পৰম্পৰাগত ঔষধ ব্যৱহাৰ কৰে; ২৫% মহিলাই হোমিওপেথিক ঔষধ; ১৫% মহিলাই এল'পেথিক আৰু ৫% মহিলাই আয়ুৰ্বেদিক ঔষধ ব্যৱহাৰ কৰে।

**মিচিং সমাজত পৰম্পৰাগত চিকিৎসা পদ্ধতি ঃ**

মিচিং লোকসকলে ৰোগ নিৰাময়ৰ ক্ষেত্ৰত পৰম্পৰাগত বা আয়ুৰ্বেদিক আৰু আধুনিক চিকিৎসা বিজ্ঞানৰ সহায় লয়। এই ক্ষেত্ৰত মিচিং জনজাতীয় মহিলাসকলো তাৰ ব্যতিক্ৰম নহয়। তেওঁলোকে ৰোগ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰা বিভিন্ন পৰম্পৰাগত বনৌষধসমূহৰ তালিকা তলত দিয়া হ'ল —

**জ্বৰ ঃ** নেমু টেঙা (Citrus latifolia) চেনিৰ লগত মিহলি কৰি কপালত লগাই জ্বৰ নিৰাময় কৰে।

**জণ্ডিচ ঃ** জণ্ডিচ বেমাৰৰ বাবে দুপৰটেঙাৰ পাত (Bryophyllum pinnatum), বন আমলখি (Phyllanthus niruri), কুঁহিয়াৰৰ ৰস (Saccharum plant), দোৰোণ বন (Leucas aspera)ব্যৱহাৰ কৰে।

**লিভাৰ অসুখ ঃ** লিভাৰ অসুখ নিৰাময়ৰ বাবে পকা অমিতা (Carica papaya), মানিমুনি (Centella asiatica), দোৰোণ বন (Leucas aspera) ব্যৱহাৰ কৰে।

**মূৰৰ বিষ ঃ** বন তুলসীৰ গুটি (Croton bonplandianum) মিহি কৰি মূৰ বিষৰ ঔষধ প্ৰস্তুত কৰে।

**ডিচেণ্ট্ৰী ঃ** ডিচেণ্ট্ৰী নিৰ্মূলৰ বাবে নেমু টেঙা (Citrus latifolia) প্ৰায় এমাহমান নিমখত ডুবাই থৈ প্ৰতিদিনে দুইপালি গ্ৰহণ কৰে।

**অৰ্শ ঃ** অৰ্শ ৰোগৰ বাবে কপালফুটা (Cardiosperamum halicacabum) মিহি কৰি পানীৰ লগত মিহলি কৰি ঔষধ প্ৰস্তুত কৰে। ইয়াৰ উপৰি লাজুকীলতা (Mimosa pudica) গুৰি কৰি গাখীৰৰ লগত খোৱা হয়।

**নিউমনীয়া ঃ** নিউমনীয়া কমাবলৈ কাচিদৰীয়াৰ শিপা (Hedyotis lineate) গুৰি কৰি পানীৰ লগত মিহলি কৰি খোৱা হয়।

**পেটৰ অসুখ ঃ** পেটৰ অসুখৰ বাবে মাটিকাদুৰী পাতৰ ৰস (Altrenanthera sessilis) ব্যৱহাৰ কৰে। তদুপৰি ভেদাইলতা (Paderia fotida), সৰু টেঙেচিৰ ৰস (Oxalis corniculata) ব্যৱহাৰ কৰে।

**ছালৰ ৰোগ ঃ** ছালৰ ৰোগৰ পৰা নিৰাময় পাবলৈ মেদেলুৱা পাত (Cassia occidentalis) গুৰি কৰি ছালত লগায়।

এই অধ্যয়নৰপৰা বুজা গ'ল যে, মিচিং মহিলাসকলে যথেষ্ট পৰিমাণে বনৌষধৰ গুণাগুণক অগ্ৰাধিকাৰ দিয়ে। তেওঁলোকে এই বনৌষধবোৰৰ কিছুমান ঘৰতে প্ৰস্তুত কৰে আৰু কিছুমান গাঁৱতে থকা বনৌষধ বিশেষজ্ঞৰদ্বাৰা পৰামৰ্শ লৈ ব্যৱহাৰ কৰে।

মিচিং সমাজত মন্ত্ৰ, বাণ, ঔষধ ব্যৱহাৰ কৰিও চিকিৎসা সম্পাদন কৰা একশ্ৰেণী লোক আছে। এনে লোকক মিচিংসকলে 'বেজুৱাই' বুলি কয়। বহু মিচিং মহিলাই বেজৰ চিকিৎসা কৰ্মক অন্ধভাৱে বিশ্বাস কৰে। ফলস্বৰূপে শৰীৰৰ উপযুক্ত চিকিৎসাৰ অভাৱত নানান সমস্যাই দেখা দিয়ে। মিচিং মহিলাসকলৰ মাজত চিকিৎসা সম্পৰ্কীয় বহুতো লোকবিশ্বাস প্ৰচলন হৈ থকা দেখা গৈছে। কেঁচুমুৰীয়া হ'লে ৰোগীয়ে মাঃ তিৰি কুমচাগ কৰি তামোল পাণ আৰু মাননি হিচাপে কিছু টকা লৈ বেজৰ ওচৰলৈ যায়। এই ৰোগত বেজে ধন্বন্তৰী স্মৰণ কৰি পচতীয়া আগ ২১ টা আৰু জালুক ২১ টাৰ লগত নিৰ্দ্দিষ্ট পৰিমাণৰ নিমখ মিলাই ৰোগীক খাবলৈ দিয়ে। এনেদৰে তিনিপালি খালে উপশম পায় বুলি তেওঁলোকে বিশ্বাস কৰে। পেটৰ অসুখৰ বাবে প্ৰেমলতা বা জাৰ্মান লতা ব্যৱহাৰ কৰে। বেজে এই লতা বিধৰ পূৱফালে মূৰ কৰি থকা আগ অংশৰ তিনিডাল লতা উশাহ বন্ধ কৰি একেবাৰতে ছিঙি আনি পিহি ৰোগীক খুৱাই দিয়ে। এনে কৰিলে গিনাম বা পেটৰ অসুখ ভাল হয় বুলি তেওঁলোকৰ মাজত লোক বিশ্বাস প্ৰচলন হৈ আছে।। মহিলাৰ ধাতু গৃঃ নাম বা ধাতু যোৱা ৰোগ হ'লে বেজে ছটী গছৰ ছাল আধা লিটাৰ পানীত তিয়াই এগিলাচ ৰাতিপুৱা খালীপেটত আৰু এগিলাচ ৰাতি শোৱাৰ আগত খাবলৈ দিয়ে, এই ঔষধ খালেও উপশম পায় বুলি বিশ্বাস কৰে। মাহেকীয়াল' আবাক ইয়ি গৃঃনাম বা মাহেকীয়া সমস্যাৰ বাবে পৌজাৰ ওই নামৰ সকামৰ আয়োজন কৰাৰ এক বিশ্বাস প্ৰচলন হৈ আছে। মহিলাৰ ক্ষেত্ৰত অধিক ৰক্তক্ষৰণৰ সমস্যাই দেখা দিলে সোণাৰু গছৰ ছালেৰে প্ৰস্তুত কৰা ঔষধ দিয়া হয় আৰু এনে ঔষধৰপৰা আৰোগ্য লাভ কৰে বুলি মিচিং মহিলাসকলৰ মাজত এক লোকবিশ্বাসৰ প্ৰচলন হৈ আছে।





**উপসংহাৰ ঃ**

স্বাস্থ্যৰ অৱস্থাৰ ক্ষেত্ৰত জনজাতীয় লোকসকল ৰাষ্ট্ৰীয় গড়তকৈ যথেষ্ট পিছ পৰি আছে। যোৰহাট জিলাৰ মিচিং অধ্যুষিত গাঁওসমূহত মহিলাসকলে স্বাস্থ্যসেৱাৰ ক্ষেত্ৰত যথেষ্ট সমস্যাৰ সন্মুখীন হৈ আহিছে। বৰ্তমান বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ সময়তো তেওঁলোকৰ বেছিসংখ্যকেই পৰম্পৰাগত চিকিৎসা পদ্ধতিক অধিক প্ৰাধান্য দিয়ে, যাৰ ফলত ৰোগ নিৰাময়ৰ প্ৰক্ৰিয়া যথেষ্ট লেহেমীয়া হয় আৰু অৱশেষত ৰোগীৰ মৃত্যুৰ আশংকা বৃদ্ধি পায়। তদুপৰি মহিলাৰ মৃত্যুৰ হাৰ মিচিং সমাজত পুৰুষতকৈ বেছি। ইয়াৰ প্ৰধান কাৰণ হৈছে, বেমাৰ আৰম্ভ হোৱাৰ লগে লগে উপযুক্ত চিকিৎসা পদ্ধতিৰ সহায় নলৈ আওপুৰণি পৰম্পৰাগত চিকিৎসাত অধিক গুৰুত্ব আৰোপ কৰে। ফলত বেমাৰীৰ অৱস্থা অধিক শোচনীয় হৈ পৰে আৰু পিছত আধুনিক চিকিৎসা কৰিও সম্পূৰ্ণৰূপে আৰোগ্য হোৱাৰপৰা বঞ্চিত হয়। সেয়েহে মিচিং মহিলাসকলৰ স্বাস্থ্য সচেতনতা বৃদ্ধি কৰিবলৈ চৰকাৰৰ বিভাগীয় কৰ্তৃপক্ষ আৰু স্বেচ্ছাসেৱক সংগঠনসমূহে আধুনিক চিকিৎসা ব্যৱস্থাৰ প্ৰতি সজাগতা আনিবলৈ ব্যৱস্থা গ্ৰহণ কৰিব লাগে।

**সিদ্ধান্ত ঃ**

১) মহিলাসকলৰ স্বাস্থ্যৰ ক্ষেত্ৰত বিবাহৰ সময়ে এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। নিৰ্বাচিত অধ্যয়ন ক্ষেত্ৰত দেখা গ'ল যে, মিচিং মহিলাসকলৰ অধিকসংখ্যক মহিলাৰ অৰ্থাৎ ৫০ শতাংশ মহিলা ১৫-২০ বছৰ বয়সৰ ভিতৰত বিবাহ পাশত আবদ্ধ হৈছিল। ই এক ভয়াবহ বাৰ্তা বহন কৰিছে। কম বয়সত বিবাহ হ'লে মহিলাসকলৰ গৰ্ভধাৰণৰ সময়তবিভিন্ন জটিল সমস্যাই দেখা দিয়ে। তদুপৰি মহিলাসকলৰ পুষ্টিহীনতাৰ সমস্যাৰ সম্ভাৱনা অধিক প্ৰকট হৈ পৰে।

২) মিচিং সমাজত এতিয়াও মহিলাসকলৰ বিভিন্ন বেমাৰ-আজাৰৰ ক্ষেত্ৰত বেমাৰ ভাল কৰিবলৈ আধুনিক চিকিৎসা বিজ্ঞানৰ ঔষধতকৈ পৰম্পৰাগত বনৌষধক অধিক প্ৰাধান্য দিয়ে। ক্ষেত্ৰ অধ্যয়নত দেখা গ'ল যে, ৫৫ শতাংশ মহিলাই আজিৰ যুগতো পৰম্পৰাগত ঔষধ ৰোগ নিৰাময়ৰ বাবে ব্যৱহাৰ কৰে। ইয়াৰ মুখ্য কাৰণ হ'ল কম খৰচতে এই পৰম্পৰাগত বন ঔষধবোৰ লাভ কৰে।

৩) এইক্ষেত্ৰত এটা যোগাত্মক দিশ দেখা গ'ল যে, মিচিং মহিলাসকলৰ ৭০ শতাংশ মহিলাই চৰকাৰী চিকিৎসালয়ত সন্তান প্ৰসৱ কৰোৱাটোত প্ৰাধান্য দিয়ে।

৪) মিচিং মহিলাসকল অৰ্থনৈতিক দিশত পিছ পৰি থকাৰ বাবে ২০ শতাংশ মহিলাই এতিয়াও ঘৰতে সন্তান জন্ম দিবলৈ বাধ্য হয়।

**প্ৰসঙ্গ সূত্ৰ ঃ**

[১] তৰুণচন্দ্ৰ পামেগাম, 'মিৰি বা মিচিং', *মিচিং সংস্কৃতিৰ আলেখ্য*, সম্পা. ভৃগুমনি কাগয়ুং, পৃ. ৩৯

[২] S.K Basu, *Tribal health in rural India*, p.21

সমল ব্যক্তিৰ তালিকা ঃ

| নাম | বয়স | ঠিকনা |
|---|---|---|
| ৰুমা দলে | ৪৫ বছৰ | বৰ মথাউৰি মিছিং গাঁও |
| দীপ্তি দলে | ৩৬ বছৰ | ঐ |
| পাৰ্বতী কামান | ৩৯ বছৰ | ঐ |
| অনুমাই পেগু | ৩০ বছৰ | ঐ |
| লক্ষীমাই পেগু | ২৭ বছৰ | ঐ |
| পূৰ্ণিমা টাহু | ৫৫ বছৰ | শগুণপৰা গাঁও |
| যোগেশ্বৰী কামান | ৩৬ বছৰ | ঐ |
| অঞ্জলি কুলি | ৩০ বছৰ | ঐ |
| পৰিস্মিতা মিলি | ২৪ বছৰ | ঐ |
| ৰূপাঞ্জলী ৰিচং | ৩২বছৰ | ঐ |

**গ্ৰন্থপঞ্জী ঃ**

কাগয়ুং, ভৃগুমুনি (সম্পা.), *মিচিং সংস্কৃতিৰ আলেখ্য*, উৰুখা পঁজা, বিৰুবাৰী, গুৱাহাটী-১৬,পুনৰ প্ৰকাশ ১৯৮৯.

কুলি, জৱাহৰজ্যোতি, *মিচিং সংস্কৃতি*, কৌস্তুভ প্ৰকাশন, ডিব্ৰুগড়, প্ৰথম প্ৰকাশ, ২০০৩,

Basu, S.K, *Tribal health in rural India*, National Institute of Health and Family Welfare. New Delhi, 1993.

Verma, Barbora and Priyanka Tamuli, *Healh status of Mishing women of Biswanah district of Assam*, Journal of critical reviews, vol. 08





Saikia, Tapan, *Traditional healh care practice among the mishing tribe of Golaghat district in Assam*, Internaional Journal of Innovative Research & Development, vol. 2, 2013.

Mahanta, Latu Lal and Dr. Sadaruddin Biswas, *Healthcare practices among the Santhals of Purlia District*, West Bengal, International Journal for Innovative Research in Multidisciplinary Field, vol. 7, 2021.

**অপ্ৰকাশিত গৱেষণা গ্ৰন্থ ঃ**

মিলি, জ্যোতিৰঞ্জন, *মিচিং জনগোষ্ঠীৰ সামাজিক লোকাচাৰ ঃ পৰম্পৰা আৰু পৰিৱৰ্তন*, ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ অধীনত দাখিল কৰা পিএইচ. ডি গৱেষণা গ্ৰন্থ, ২০২০ চন